# ৰোটাছ
# বনাম
# ৰাজস্থান ৰাজ্য
# ৬ ডিচেম্বৰ, ২০০৬

## [এছ্.বি.সিন্‌হা আৰু মাৰ্কাণ্ডে কাট্‌জু ,ন্যায়াধীশ]

দণ্ডবিধি আইন, ১৮৬০ : ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা নং৩৪:

হত্যা-যৌথ দায়বদ্ধতা-অভিযুক্ত-আপীলকাৰী আৰু অন্য এজন অভিযুক্তই হত্যাকাণ্ড সংঘটিত কৰিছিল-বিচাৰ আদালতে অভিযুক্ত-আপীলকাৰী আৰু সম্বন্ধত মৃতকৰ ভাতৃ হোৱা অন্য এজন অভিযুক্তক ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা নং৩৪ ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰিছিল আৰু সেইমৰ্মে তেওঁলোকক দণ্ডাজ্ঞা প্ৰদান কৰিছিল-উচ্চ ন্যায়ালয়ে এয়া বাহাল ৰাখে- -আপীলত, এইবুলি ৰায় দিয়া হৈছিলঃ মৃত ব্যক্তিৰ আন এজন ভাতৃ ফৰিয়াদী সাক্ষী নং ১ আৰু মৃত ব্যক্তিৰ মাতৃ ফৰিয়াদী সাক্ষী নং৬-এ আৰক্ষীৰ দ্বাৰা নথিভুক্ত বিবৃতিত সকলো অভিযুক্ত ব্যক্তিৰ নাম উল্লেখ কৰিছিল- তেওঁলোকে কৰা আচল প্ৰকাশ্য কাৰ্য সন্দৰ্ভত কিছুমান বিসংগতি লক্ষ্য কৰা হৈছিল যদিও এয়া অধিক গুৰুত্বপূৰ্ণ নহয়-আনকি ফৰিয়াদী সাক্ষী নং৬-এ এজাহাৰত অভিযুক্ত আপীলকাৰীৰ নাম লোৱা নাই বুলি ধৰিলেও, ফৰিয়াদী সাক্ষী নং৬-ৰ বিবৃতি বিশ্বাস নকৰাৰ কোনো কাৰণ পোৱা নাযায়-মৃতকে পোৱা আঘাত অভিযুক্ত ব্যক্তিসকলে কঢ়িয়াই নিয়া কঠিন ভোটা পদাৰ্থ/লোহাৰ পাইপৰ ফলতহে মাথোন হ'ব পাৰে- মৃতকক হত্যা কৰাৰ অভিপ্ৰায় গোচৰটোৰ পৰিস্থিতিৰ সম্পূৰ্ণতাৰ পৰা অনুমান কৰিব পৰা যায়-একাধিক ব্যক্তিৰ দ্বাৰা অপৰাধ সংঘটিত হৈছিল-অভিযুক্ত লোক কেইজনে অপৰাধ সংঘটিত কৰিবলৈ একেলগে আহিছিল আৰু একেলগে পলাই গৈছিল-পৰৱৰ্তী আচৰণৰ দ্বাৰা পূৰ্বৰ ঐকমত্য প্ৰমাণিত হৈছে -গতিকে অপৰাধ সংঘটনত উমৈহতীয়া অভিপ্ৰায়ৰ অংশীদাৰিত্ব প্ৰতিপন্ন হৈছে -সেয়েহে নিম্ন আদালতে অভিযুক্তক সঠিকভাৱে দোষী সাব্যস্ত কৰি দণ্ডাজ্ঞা প্ৰদান কৰিছে।

আপীলকাৰী, তেওঁৰ ভিনিহি (মৃতকৰ ভায়েক), আৰু আন চাৰিজন লোকে মৃতকজনক অস্ত্ৰ-শস্ত্ৰেৰে আক্ৰমণ কৰিছিল, আঘাতৰ বাবে ভুক্তভোগীজনৰ মৃত্যু হৈছিল। মৃত ব্যক্তিজনৰ বিৰুদ্ধে তেওঁৰ ভায়েক (অভিযুক্তসকলৰ এজন) ৰ পত্নীক উৎপীড়ন কৰাৰ অভিযোগ উত্থাপন কৰা হৈছিল; মৃত ব্যক্তিৰ আন এজন ভাতৃ ফৰিয়াদী সাক্ষী নং ১-এ এজাহাৰ দাখিল কৰিছিল। বিচাৰ আদালতে আপীলকাৰী আৰু অন্য এজনক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা নং ৩৪ ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰিছিল। আন অভিযুক্তসকলক চিনাক্ত কৰিব নোৱাৰাৰ বাবে দোষমুক্ত কৰা

হৈছিল। আপীলত অভিযুক্তজনৰ দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞা উচ্চ ন্যায়ালয়ে নিশ্চিত কৰিছিল। সেয়েহে এজন দণ্ডিত অপৰাধীৰ দ্বাৰা বৰ্তমানৰ এই আপীল।

আপীলকাৰীয়ে দাবী কৰিছিল যে তেওঁ এজাহাৰকাৰীৰ সৈতে পৰিচিত আছিল আৰু তেওঁ নিজৰ ভায়েকৰ আক্ৰমণকাৰীসকলক চিনাক্ত কৰিব পাৰিছিল যদিও এজাহাৰত তেওঁৰ নাম কিয় উল্লেখ কৰা হোৱা নাছিল তাৰ কোনো কাৰণ নাছিল; মৃত ব্যক্তিগৰাকীৰ মাতৃয়ে ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩-ৰ ১৬১ ধাৰাৰ অধীনত তদন্তকাৰী বিষয়াৰ আগত দিয়া বিবৃতিত আপীলকাৰীৰ নাম উল্লেখ কৰিছিল যদিও তেওঁৰ সন্দৰ্ভত কোনো প্ৰকাশ্য কাৰ্যৰ বাবে আৰোপ কৰা নাছিল; ঘটনাৰ স্থানত ফৰিয়াদী সাক্ষী নং ৮ আৰু ফৰিয়াদী সাক্ষী নং ৯ ৰ উপস্থিতি অত্যন্ত সন্দেহজনক আছিল কাৰণ কেইদিনমানৰ পিছতহে আৰক্ষীয়ে তেওঁলোকৰ বিবৃতি লিপিবদ্ধ কৰিছিল; ফৰিয়াদী সাক্ষী নং ৮-এ তেওঁৰ জবানবন্দীৰ এটা স্থানত ব্যক্ত কৰিছিল যে ঘটনাৰ ৫-৭ দিনৰ পিছতহে আৰক্ষীয়ে তেওঁৰ জবানবন্দী লৈছিল আৰু আন এটা স্থানত ব্যক্ত কৰিছিল যে ঘটনাটো সংঘটিত হোৱাৰ ১০ দিনৰ পৰা ১১ দিনৰ পিছত এয়া লিপিবদ্ধ কৰিছিল; চাক্ষুস সাক্ষী বুলি নিজকে দাবী কৰা ফৰিয়াদী সাক্ষী নং ৯ মৃতকৰ তদন্তৰ পঞ্চায়তনামাৰ সাক্ষী হোৱাৰ সত্ত্বেও ঘটনাৰ তিনি দিনৰ পিছতো তেওঁৰ জবানবন্দী লোৱা হোৱা নাছিল; আৰু সকলো সাক্ষী মৃতকৰ সৈতে সম্পৰ্কিত হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক স্বাৰ্থজড়িত সাক্ষী আছিল আৰু নিম্ন আদালতে তেওঁলোকৰ বিবৃতিৰ ওপৰত নিৰ্ভৰ কৰি এক গুৰুতৰ ভুল কৰিছিল।

প্ৰতিবাদীপক্ষ-ৰাষ্ট্ৰই অৱগত কৰিছিল যে ফৰিয়াদী সাক্ষী নং ১- য়ে তেওঁৰ সাক্ষ্যদানত দাবী কৰিছিল যে আন কোনোবাই আৰক্ষী থানাত তেওঁৰ বিবৃতি লিপিবদ্ধ কৰিছিল, যিয়ে আপীলকাৰীয়েও মৃতকৰ হত্যাৰ ঘটনাত অংশগ্ৰহণ কৰিছিল বুলি লিপিবদ্ধ নকৰি ভুল কৰিব পাৰে আৰু তদুপৰি তদন্তকাৰী বিষয়াই ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬ ৰ জবানবন্দী লৈছিল আৰু সেয়ে আপীলকাৰীৰ নাম বাদ পৰাৰ বাবে ফৰিয়াদী পক্ষৰ গোচৰ নুই কৰিব পৰা গোচৰ হিচাপে ইয়াক অভিহিত কৰিব নোৱাৰি আৰু আপীলকাৰীৰ আহ্বানক্ৰমে তদন্তকাৰী বিষয়াজনে এডাল লোহাৰ পাইপ উদ্ধাৰ কৰিছিল, যাৰ দ্বাৰা তেওঁ মৃতকজনৰ লগতে ফৰিয়াদী সাক্ষী নং ৬ক আক্ৰমণ কৰিছিল ।

আপিল খাৰিজ কৰি ন্যায়ালয়ে এইবুলি ৰায়দান কৰেঃ

(১.১) এজাহাৰত মৃতকৰ মাতৃ তথা ফৰিয়াদী সাক্ষী নং ৬ গুৰুতৰভাৱে আহত হোৱাৰ বিষয়ে উল্লেখ নাছিল। তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। তেওঁ

ফৰিয়াদী সাক্ষী নং ১২ৰ ওচৰত চিকিৎসা গ্ৰহণ কৰি আছিল। লক্ষ্য কৰা গৈছে যে তদন্তকাৰী বিষয়াজনে লগে লগে ঘটনাটো সংঘটিত হোৱা স্থানলৈ গৈছিল, প্ৰাথমিক তদন্ত কৰিছিল আৰু সাক্ষীসকলৰ জবানবন্দী লিপিবদ্ধ কৰিছিল। তেওঁ নিশ্চয় চহৰলৈ উভতি আহিছিল আৰু ফৰিয়াদী সাক্ষী নং ৬ ৰ বিবৃতি লিপিবদ্ধ কৰিছিল। ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬-এ আৰক্ষীৰ আগত দিয়া বিবৃতিত আপীলকাৰী আন অভিযুক্তসকলৰ লগত সংগ দিয়া এজন ব্যক্তি হিচাপে স্পষ্টভাৱে উল্লেখ কৰাটো বিতৰ্কৰ বিষয় নহয়। তেওঁ কৰা আচল প্ৰকাশ্য কাৰ্য সন্দৰ্ভত তেওঁলোকৰ বিবৃতিত কিছুমান বিসংগতি থাকিব পাৰে যদিও এয়া অধিক গুৰুত্বপূৰ্ণ নহয়।[২৭০-এইছ; ২৭১-এ, বি]

(১.২) সকলোৱে জনা মতে, প্ৰাথমিক তথ্য প্ৰতিবেদন সমগ্ৰ গোচৰটোৰ বিশ্বকোষ নহয়। ইয়াত সকলো বিৱৰণ অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন নাই। যদিও, প্ৰাথমিক তথ্য প্ৰতিবেদনত এজন অভিযুক্তৰ নাম উল্লেখ কৰাৰ প্ৰয়োজনীয়তা উপেক্ষা কৰিব নোৱাৰি, তথাপি দেখা গৈছে যে যথাসম্ভৱ সোনকালে তেওঁৰ নাম অন্তৰ্ভুক্ত কৰা হৈছিল। আনকি ফৰিয়াদী সাক্ষী নং ১ -এ প্ৰাথমিক তথ্য প্ৰতিবেদনত তেওঁৰ নাম লোৱা নাই বুলি ধৰিলেও ফৰিয়াদী সাক্ষী নং ৬-ৰ বক্তব্যক অবিশ্বাস কৰাৰ কোনো কাৰণ পোৱা নাযায়। প্ৰশ্নটো হ'ল গোচৰটোত পোৱা সমগ্ৰ বাস্তৱিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এজন ব্যক্তিক পশ্চাৎচিন্তাৰ দ্বাৰা সাঙুৰি লোৱা হৈছিল নে নাই সেয়া বিচাৰ কৰিব লাগিব। [২৭১-ই,এফ]

(১.৩) ১ নং অভিযুক্তৰ লগতে আপীলকাৰীয়েও লোহাৰ পাইপ লৈ যোৱা বুলি কোৱা হৈছিল। মৃতকজনেও বহু আঘাত পাইছিল । কিছুমান আঘাত নিঃসন্দেহে কেৱল লোহাৰ পাইপৰ দৰে কঠিন আৰু ভোটা পদাৰ্থৰ ফলত হ'ব পাৰে। মৃতকজনৰ কেইবাটাও আঘাতে স্পষ্টভাৱে সূচায় যে এয়া এজন ব্যক্তিৰ দ্বাৰা হোৱা নাছিল। সেয়েহে, ১ নং অভিযুক্তই আনসকলৰ সৈতে মিলি মৃতকৰ হত্যাকাণ্ড সংঘটিত কৰাৰ উমৈহতীয়া অভিপ্ৰায় অনুমান কৰিব পাৰি। [২৭১-এইছঃ২৭২-এ ,ডি, ই]

(২.১) উমৈহতীয়া অভিপ্ৰায়ৰ নীতি প্ৰয়োগৰ বাবে কোনো সুষম অনমনীয় নিয়ম নাই। ইয়াৰ বাবে প্ৰত্যেক গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সম্পূৰ্ণতাৰ পৰা অনুমান আহৰণ কৰিব লাগিব। [২৭২-এফ]

(২.২) এইটো স্পষ্ট যে ফৰিয়াদী সাক্ষী নং ৬-এ আক্ৰমণ কাৰ্যৰ বাবে কেৱল তেওঁৰ পুত্ৰকেই দোষাৰোপ কৰা নাছিল বৰং আপীলকাৰীকো দোষাৰোপ কৰিছিল । তেওঁ নিজৰ পুত্ৰক আক্ৰমণ কৰা দেখা পাই তাৰ ওপৰত পৰি দিছিল যদিও সিহঁতে প্ৰহাৰ কৰা বন্ধ কৰা নাছিল বুলি তেওঁ আগবঢ়োৱা বক্তব্য গুৰুত্বপূৰ্ণ। তেওঁ এগৰাকী আহত সাক্ষী আছিল। যেতিয়া তেওঁ আৰক্ষীৰ আগত

তেওঁৰ বিবৃতি দিছিল, তেতিয়া তেওঁ নিশ্চয় বহুত কষ্টত আছিল। অভিযুক্তসকলৰ এজন তেওঁৰ নিজৰ পুত্ৰ আছিল। আপীলকাৰীজন তাৰ খুলশালী । এগৰাকী মাতৃয়ে সাধাৰণতে নিজৰ পুত্ৰক জড়িত নকৰে আৰু সেয়াও এক হত্যাৰ অভিযোগত। [২৭৩-ডি, ই]

(২.৩) যদি ১ নং অভিযুক্তৰ দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞাত হস্তক্ষেপ কৰিব নোৱাৰি, তেন্তে বিবেচনাৰ বাবে উদ্ৰেক হোৱা প্ৰশ্নটো এয়ে যে তেওঁৰ সৈতে মিলি উক্ত অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যে উমৈহতীয়া অভিপ্ৰায়ত ভাগ লোৱাৰ বাবে আপীলকাৰীক দোষী সাব্যস্ত কৰিব পাৰি নেকি। অপৰাধমূলক কাৰ্য কৰাৰ ক্ষেত্ৰত যৌথ দায়বদ্ধতাৰ নীতি প্ৰযোজ্য কৰাৰ বাবে অভিযুক্তৰ উদ্দেশ্য এই গোচৰৰ সৈতে জড়িত বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিবেচনা কৰিব লাগিব। সকলো অভিযুক্ত একে সময়তে আহিছিল। তেওঁলোকৰ প্ৰত্যেকৰে বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ আছিল। তেওঁলোকে স্পষ্টভাৱে কোনো অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যেৰে আহিছিল। তেওঁলোকৰ লক্ষ্য জ্ঞাত আছিল। তেওঁলোকে মাকৰ সন্মুখতে পুত্ৰক হত্যা কৰাৰ অপৰাধটো নকৰাৰ কথাও ভবা নাছিল। তেওঁক নিৰ্বিচাৰভাৱে আক্ৰমণ কৰা হৈছিল। মাকে পুত্ৰক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ তাৰ দেহৰ ওপৰত পৰি দিছিল। এই প্ৰক্ৰিয়াত তেৱোঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬-এ প্ৰদান কৰা বিবৃতিৰ সংযুক্ত পাঠত এইটো স্পষ্ট যে প্ৰকৃত আক্ৰমণ কাৰ্যত একাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল। [২৭৩-এফ, জি, এইছ]

(২.৪) অভিযুক্ত ব্যক্তিসকলে কেৱল মৃতকজনক হত্যা আৰু তেওঁৰ মাকক আক্ৰমণ কৰাই নহয়, ১ নং ফৰিয়াদী সাক্ষীকো খেদি গৈছিল। তেওঁ খেতিপথাৰত আত্মগোপন কৰিব লগা হৈছিল। তেওঁৰ মতে অভিযুক্ত ব্যক্তিসকলে টৰ্চ লৈ তেওঁক বিচাৰি আছিল। তেওঁক বিচাৰি নাপালে। অপৰাধ সংঘটিত কৰাৰ উমৈহতীয়া অভিপ্ৰায় থকা এজন ব্যক্তিৰ অভিপ্ৰায় পৰিস্থিতিৰ সম্পূৰ্ণতাৰ পৰা বিচাৰ কৰিব লাগিব। [২৭৪-এ]

(২.৫) এইটো এনে এটা গোচৰ নহয় য'ত পূৰ্ব প্ৰস্তুতি নাছিল । পূৰ্ব প্ৰস্তুতি নথকা হ'লে তেওঁলোকে একেলগে বাহন এখনত উপস্থিত হ'ব নোৱাৰিলেহেঁতেন। তেওঁলোকে কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই নানিলেহেঁতেন। অপৰাধটো সংঘটিত কৰাৰ ক্ষেত্ৰত তেওঁলোকে একেলগে কাম নকৰিলেহেঁতেন। তেওঁলোক ১ নং ফৰিয়াদী সাক্ষীক একেলগে সন্ধান নকৰিলেহেঁতেন আৰু একেলগে পলাই নগ'লহেঁতেন । অভিযুক্তৰ পৰৱৰ্তী আচৰণৰ প্ৰতি লক্ষ্য ৰাখি অভিযুক্তৰ পূৰ্বৰ ঐকমত্য নিৰ্ধাৰণ কৰিব পাৰি। সেয়েহে, এই গোচৰত পৰৱৰ্তী আচৰণৰ দ্বাৰা অন্যান্য দিশৰ লগতে পূৰ্বৰ ঐকমত্যও প্ৰমাণিত হৈছে। [২৭৪-বি,চি]

(২.৬) কেৱল ব্যতিক্ৰম সাপেক্ষে, পূৰ্বৰ ঐকমত্যৰ প্ৰত্যক্ষ প্ৰমাণ পোৱাটো কঠিন হ'ব পাৰে কিন্তু প্ৰত্যক্ষ সাক্ষ্য-প্ৰমাণৰ অনুপস্থিতিয়ে অনিবাৰ্যভাৱে অনুমানৰ সৃষ্টি কৰে । অভিযুক্তই উমৈহতীয়া অভিপ্ৰায়ত ভাগ লোৱাটো প্ৰমাণ কৰিবলৈ এয়া পৰ্যাপ্ত হ'ব পাৰে। [২৭৪-ডি]

সুৰেশ আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ ৰাজ্য, [২০০১] ৩ এছ. চি. চি. ৬৭৩; লালন ৰায় আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য, [২০০৩] ১ এছ. চি. চি. ২৬৮ আৰু বৰেন্দ্ৰ কুমাৰ ঘোষ বনাম ৰজা সম্ৰাট, এ. আই. আৰ. (১৯২৫) পি. চি. ১:২৬ ক্ৰিমিনেল ল জাৰ্নেল ৪৩১, নিৰ্ভৰশীলতা প্ৰকট কৰা হৈছিল।

(৩) আইনী নীতি প্ৰয়োগৰ ফলশ্ৰুতিত ১ নং অভিযুক্তৰ সৈতে অপৰাধ সংঘটিত কৰাৰ ক্ষেত্ৰত আপীলকাৰীৰ ফালৰ পৰা সাধাৰণ অভিপ্ৰায় প্ৰতিষ্ঠিত হৈছে। তদন্তত আসোঁৱাহ নাছিল , আনহাতে ত্ৰুটিপূৰ্ণ তদন্তৰ বাবে ফৰিয়াদী গোচৰ সম্পূৰ্ণৰূপে নাকচ কৰা নহয়। [২৭৫-এইছ; ২৭৬-এ]

বিশ্বেশ্বৰন বনাম এছ.ডি. এম.-এ প্ৰতিনিধিত্ব কৰা ৰাজ্য [২০০৩]৬ এছ. চি. চি.৭৩ আৰু মধ্য প্ৰদেশ ৰাজ্য বনাম মানসিং আৰু অন্যান্য[২০০৩]১০ এছ. চি. চি.৪১৪, নিৰ্ভৰশীলতা প্ৰকট কৰা হৈছিল।

ফৌজদাৰী আপিল ক্ষেত্ৰাধিকাৰঃ ফৌজদাৰী আপিল নং৩৩৫/২০০৬।

জয়পুৰস্থিত ৰাজস্থান উচ্চ ন্যায়ালয়ৰ জয়পুৰ খণ্ড বিচাৰপীঠৰ ফৌজদাৰী আপীল নং ৭৬৫/১৯৯৯ ত ৫-৫-২০০৫ তাৰিখৰ চূড়ান্ত ৰায়দান আৰু নিৰ্দেশনাৰ পৰা।

আপীলকাৰীৰ হৈ উদয় উমেশ ললিত আৰু গৌৰৱ আগৰৱাল।

প্ৰতিবাদীপক্ষৰ হৈ নবীন কুমাৰ সিং, মুকুল ছুড আৰু অৰুণেশ্বৰ গুপ্তা।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে এছ.বি.সিন্‌হাই। জয়পুৰস্থিত ৰাজস্থান উচ্চ ন্যায়ালয়ৰ জয়পুৰ খণ্ড বিচাৰপীঠে ফৌজদাৰী আপীল নং ৭৬৫/১৯৯৯ত প্ৰদান কৰা ৰায়দান যোগে দোষী সাব্যস্তকৰণ কৰাৰ দ্বাৰা আৰু দণ্ডাজ্ঞাৰ দ্বাৰা মৰ্মাহত আৰু অসন্তুষ্ট হৈ আপীলকাৰী আমাৰ সমুখত হাজিৰ হৈছে।

তেওঁৰ ভিনিয়েক পিটৰামৰ সৈতে মিলি হত্যাকাণ্ড সংঘটিত কৰা বাবে তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। ১ নং অভিযুক্ত পিটৰাম, এজাহাৰকাৰী মালিৰাম (ফৰিয়াদী সাক্ষী নং -১) আৰু মুছাৰাম হৈছে ককাই-ভাই। মূলী দেৱী হৈছে তেওঁলোকৰ মাতৃ। ১৩/১০/১৯৯৬ তাৰিখে নিশা প্ৰায় ৯.৩০ বজাত ভোদলি ৰোডত অৱস্থিত মালিৰামৰ দেউতাকৰ 'ধানী' ত সংঘটিত হোৱা এক ঘটনাৰ

সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰা হৈছিল, আনহাতে উক্ত পিটৰামে সেই দিনটোতে নিশা প্ৰায় ৮ বজাত উক্ত মুছাৰামক হত্যা কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছিল।

১ নং ফৰিয়াদী সাক্ষীয়ে তেওঁৰ এজাহাৰত অভিযোগ কৰিছিল যে তেওঁ আৰু মৃতকে "নিম কা থানা" চহৰৰ পৰা কিছুমান ঘৰুৱা সামগ্ৰী লৈ তেওঁলোকৰ পিতৃৰ 'ধানী "লৈ গৈছিল। তেওঁলোকে তাত ৰৈ, মাকৰ সৈতে কথা পাতি আৰু লাম্বাৱালীৰ ধানীলৈ গুচি গৈছিল। যেতিয়া তেওঁলোকে 'দাৰোগা"ৰ পথাৰত উপস্থিত হৈছিল, তেতিয়া তেওঁলোকে মাকৰ চিঞৰ-বাখৰ শুনিছিল, তাৰ পাছত তেওঁলোককো আক্ৰমণ কৰা হ'ব বুলি ভাবি দৌৰিবলৈ আৰম্ভ কৰিছিল। তাৰ পিছত ৪-৫ জন লোকে মুছাৰামক আক্ৰমণ কৰিছিল। অভিযোগ অনুসৰি প্ৰাসংগিক সময়ত সীমান্ত সুৰক্ষা বাহিনীৰ জয়শালমেৰত কৰ্মৰত পিটৰামে তেওঁৰ হাতত থকা 'বাকদা'ৰে মৃতকজনক আক্ৰমণ কৰিছিল। ইয়াৰ ফলস্বৰূপে তেওঁ বাগৰি পৰিছিল। ইয়াৰ পিছত তেওঁৰ সহযোগীসকলে নিজ নিজ হাতত থকা অস্ত্ৰেৰে তেওঁক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছিল। মুছাৰামে তেওঁক ৰক্ষা কৰিবলৈ ভায়েকক চিঞৰি মাতিছিল। তেওঁ দৌৰি গৈ শস্যক্ষেত্ৰৰ মাজত আত্মগোপন কৰিছিল। অভিযুক্ত আৰু তেওঁৰ সহযোগীসকলে হাতত টৰ্চ লৈ তেওঁক বিচাৰিছিল, কিন্তু মুছাৰামৰ চিঞৰ-বাখৰৰ বাবে তেওঁলোক পলাই গৈছিল।

ঘটনা সংঘটিত হোৱাৰ লগে লগে তেওঁ আৰক্ষী থানালৈ গৈছিল। ১৭ নং ফৰিয়াদী সাক্ষী-সুৰেন্দ্ৰ কুমাৰ ভাটি-এ তদন্ত আৰম্ভ কৰিছিল। মৃতকৰ মাতৃ ৬ নং ফৰিয়াদী সাক্ষী মূলী দেৱী আঘাতপ্ৰাপ্ত হোৱাটোও বিতৰ্কৰ বিষয় নহয়। তদন্তকাৰী বিষয়াই ঘটনাটো সংঘটিত হোৱা স্থানলৈ আহিছিল আৰু তেওঁ এক মোটামুটি স্থলী পৰিকল্পনা প্ৰস্তুত কৰিছিল যাৰ ভিত্তিত পিছত এক নিখুঁত স্থলী পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল। তেওঁ ঘটনাস্থলীৰ পৰা তেজৰ দাগযুক্ত মাটি তথা সাধাৰণ মাটি সংগ্ৰহ কৰিছিল আৰু মেমো প্ৰস্তুত কৰি তাত সাক্ষীসকলৰ স্বাক্ষৰ গ্ৰহণ কৰিছিল। তেওঁ মৃত মুছাৰামৰ পঞ্চনামাও প্ৰস্তুত কৰিছিল। তেওঁ মুছাৰামৰ তেজৰ দাগ লাগি থকা কাপোৰবোৰো জব্দ কৰিছিল। তেওঁ সেইদিনাই সাক্ষী মহাবীৰ, মালিৰাম, মূলী দেৱী আৰু খয়ালী ৰামৰ বিবৃতি লিপিবদ্ধ কৰিছিল। প্ৰতীয়মান হৈছে ১ নং ফৰিয়াদী সাক্ষী আৰু ২ নং ফৰিয়াদী সাক্ষীৰ লগতে ৮ নং ফৰিয়াদী সাক্ষী খয়ালী ৰাম আৰু ৯ নং ফৰিয়াদী সাক্ষী চৰজিত সিং চাক্ষুস সাক্ষী আছিল। অৱশ্যে, তেওঁলোকৰ বিবৃতি পিছত লিপিবদ্ধ কৰা হৈছিল।

পিটৰামৰ দ্বাৰা উক্ত অপৰাধটো সংঘটিত হোৱাৰ কাৰণ এয়ে আছিল যে মুছাৰামে তেওঁৰ পত্নীক হাৰাশাস্তি কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছিল।

উক্ত পিটৰামৰ সৈতে আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২/৩৪ ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল, আন চাৰিজন অভিযুক্তক এই ভিত্তিত দোষমুক্ত কৰা হৈছিল যে তেওঁলোকক সঠিকভাৱে চিনাক্ত কৰা হোৱা নাছিল আৰু কোনো ব্যক্তিগত প্ৰকাশ্য কাৰ্য তেওঁলোকৰ ওপৰত আৰোপ কৰা হোৱা নাছিল।

অভিযুক্ত নং ১ আমাৰ সন্মুখত হাজিৰ হোৱা নাই। গতিকে, তেওঁ ৰায়টো স্বীকাৰ কৰিছে।
আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী উদয় উমেশ ললিতে এনেদৰে উপস্থাপন কৰেঃ-

(i) এজাহাৰকাৰীয়ে আপীলকাৰীক চিনি পাইছিল আৰু তেওঁ তেওঁৰ ভায়েকৰ আক্ৰমণকাৰীসকলক চিনাক্ত কৰিব পৰা সত্ত্বেও তেওঁৰ নাম কিয় উল্লেখ কৰা হোৱা নাছিল তাৰ কোনো কাৰণ নাছিল;

(ii) মৃত ব্যক্তিগৰাকীৰ মাতৃয়ে তদন্তকাৰী বিষয়াৰ আগত ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩-ৰ ধাৰা ১৬১-ৰ অধীনৰ তেওঁৰ বিবৃতিত আপীলকাৰীৰ নাম উল্লেখ কৰিছিল যদিও তেওঁক কোনো প্ৰকাশ্য কাৰ্যৰ বাবে দায়ী কৰা নাছিল।

(iii) ঘটনাৰ স্থানত ৮ নং ফৰিয়াদী সাক্ষী খয়ালিৰাম আৰু ৯ নং ফৰিয়াদী সাক্ষী চৰজিত সিঙৰ উপস্থিতি অত্যন্ত সন্দেহজনক আছিল কিয়নো কেইদিনমানৰ পিছতহে আৰক্ষীয়ে তেওঁলোকৰ বিবৃতি লিপিবদ্ধ কৰিছিল।

উল্লেখ কৰা হৈছিল যে ৮ নং ফৰিয়াদী সাক্ষীয়ে তেওঁৰ সাক্ষ্যদানৰ এটা স্থানত ঘটনা সংঘটিত হোৱাৰ ৫-৭ দিনৰ পিছতহে আৰক্ষীয়ে তেওঁৰ বিবৃতি লিপিবদ্ধ কৰিছিল বুলি অভিযোগ কৰিছিল আৰু অন্য এটা স্থানত ১০-১১ দিনৰ পিছতহে এয়া কৰিছিল বুলি কোৱা হৈছিল। নিজকে এগৰাকী চাক্ষুষ সাক্ষী বুলি দাবী কৰা ৯ নং ফৰিয়াদী সাক্ষীৰ বিবৃতিও তিনি দিন ধৰি লিপিবদ্ধ কৰা হোৱা নাছিল যদিও তেওঁ মৃতকৰ তদন্তৰ পঞ্চনামাৰ সাক্ষী আছিল।

(Iv) সকলো সাক্ষী মৃতকৰ সৈতে সম্পৰ্কিত হোৱাৰ বাবে তেওঁলোক অত্যন্ত স্বাৰ্থজড়িত সাক্ষী আছিল আৰু নিম্ন আদালতে তেওঁলোকৰ বিবৃতিৰ ওপৰত নিৰ্ভৰ কৰি এক গুৰুতৰ ভুল কৰিছিল।

ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰী নবীন কুমাৰ সিঙে উপস্থাপন কৰে যে ফৰিয়াদী সাক্ষী নং ১-য়ে তেওঁৰ সাক্ষ্যদানত দাবী কৰিছিল যে আন কোনোবাই আৰক্ষী থানাত তেওঁৰ বিবৃতি লিপিবদ্ধ কৰিছিল, যিয়ে আপীলকাৰীয়েও মৃতকৰ হত্যাৰ ঘটনাত অংশগ্ৰহণ কৰিছিল বুলি লিপিবদ্ধ নকৰি ভুল কৰিব পাৰে।তদুপৰি তদন্তকাৰী বিষয়াই ১৯৯৬ চনৰ ১৩ অক্টোবৰত ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬ ৰ জবানবন্দী লৈছিল য'ত তেওঁৰ নাম উল্লেখ কৰা হৈছিল আৰু সেয়ে আপীলকাৰীৰ নাম বাদ পৰাৰ বাবে ফৰিয়াদী পক্ষৰ গোচৰ নুই কৰিব পৰা গোচৰ হিচাপে ইয়াক অভিহিত কৰিব নোৱাৰি।এইটো প্ৰকট কৰা হৈছিল যে আপীলকাৰীৰ আহ্বানক্ৰমে তদন্তকাৰী বিষয়াজনে এডাল লোহাৰ পাইপ উদ্ধাৰ কৰিছিল, যাৰ দ্বাৰা তেওঁ মৃতকজনৰ লগতে ফৰিয়াদী সাক্ষী নং ৬-মূলী দেৱীক আক্ৰমণ কৰিছিল ।

মুছাৰামৰ হত্যাকাণ্ডজনিত মৃত্যু সন্দৰ্ভত কোনো বিবাদ নাই। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বিষয়বস্তুও বিতৰ্কিত নহয়। ইয়াৰ আগতে উল্লেখ কৰা অনুসৰি, এতিয়া মৃতকৰ মুখ্য আক্ৰমণকাৰী হিচাপে আপীলকাৰীৰ ভিনিয়েক পিটৰাম দোষী সাব্যস্ত হোৱাটোও বিতৰ্কৰ বিষয় নহয়। তদুপৰি কোনো সন্দেহ থাকিব নোৱাৰে যে স্বাভাৱিকভাৱে এইটো আশা কৰা হৈছিল যে ফৰিয়াদী সাক্ষী নং ১-এ প্ৰাথমিক তথ্য প্ৰতিবেদনত আক্ৰমণকাৰীসকলৰ নাম প্ৰকাশ কৰিব, কিন্তু ন্যায়ালয়ে এই প্ৰকাৰৰ গোচৰত, ঘটনাৰ চাৰিওফালৰ সামগ্ৰিক পৰিস্থিতি বিবেচনা কৰিব লাগিব আৰু তেওঁক এজন প্ৰকৃত সাক্ষী নহয় বুলি অনুমান কৰি আৰম্ভ নকৰিব পাৰে। আপীলকাৰী আৰু মৃতকজনে কিছুমান ঘৰুৱা সামগ্ৰী লৈ পিতৃৰ "ধানী"ৰ ওচৰলৈ আহিছিল। তেওঁলোকে এইবোৰ লগত লৈ তেওঁলোকৰ 'ধানী "লৈ গৈ আছিল। মৃতকৰ ভাতৃ তথা ১ নং অভিযুক্ত পিটৰামে সীমান্ত সুৰক্ষা বাহিনীত কাম কৰি আছিল। তেওঁৰ মতে, মৃতকজনে তেওঁৰ পত্নীক উৎপীড়ন কৰি আছিল। ইয়াত আপীলকাৰী ১ নং অভিযুক্তৰ খুলশালি হোৱাৰ পৰিপ্ৰেক্ষিতত সেই বিষয়ে তেওঁৰ জ্ঞান থাকিব লাগিব। সেয়েহে, তেওঁক মিছাকৈ জড়িত কৰাৰ সামগ্ৰিক সম্ভাৱনা নাই।

ফৰিয়াদী সাক্ষী নং ১-এ তেওঁকো আক্ৰমণ কৰাৰ আশংকাত পলায়ন কৰিছিল। তেওঁ খেতিপথাৰত আত্মগোপন কৰিছিল। অভিযুক্ত ব্যক্তিসকলে তেওঁক বিচাৰিছিল যদিও বিচাৰি পোৱা নাছিল। তেওঁৰ মতে, তেওঁৰ ভায়েকক আক্ৰমণকাৰীসকলে নিশা প্ৰায় ৮ বজাত আক্ৰমণ কৰিছিল। আৰক্ষী থানাখন ঘটনাস্থলীৰ পৰা পাঁচ কিলোমিটাৰ দূৰত্বত অৱস্থিত বুলি কোৱা হৈছে। সমগ্ৰ ঘটনাটো সংঘটিত হ'বলৈ নিশ্চয় কিছু সময় লাগিছিল। সেয়েহে, ইয়াত উন্মেষ হোৱা প্ৰকৃত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ নিশ্চিতভাৱে জানিব পাৰিলে যে নিশা প্ৰায় ৮.৩০ বজাত আঘাতজনিত কাৰণৰ বাবে তেওঁৰ ভায়েকৰ মৃত্যু হৈছিল। তেওঁ আৰক্ষী থানালৈ গৈছিল আৰু যদি তেওঁৰ বক্তব্যত বিশ্বাস পোষণ

কৰা হয়, তেন্তে আৰক্ষী থানাৰ বাহিৰত বহি থকা এজন ব্যক্তিয়ে "ফৰ্দ বয়ান" লিপিবদ্ধ কৰিছিল বুলি উল্লেখ কৰিছে। উক্ত ব্যক্তিজনে তেওঁৰ বক্তব্য লিপিবদ্ধ কৰাৰ পিছত ইয়াক "নিম কা থানা আৰক্ষী থানাৰ" ভাৰপ্ৰাপ্ত বিষয়াৰ হাতত অৰ্পণ কৰিছিল।

আমি প্ৰাথমিক তথ্য প্ৰতিবেদন পৰ্যবেক্ষণ কৰিছো। তাত ফৰিয়াদী সাক্ষী নং ৬(মূলী দেৱী) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ কোনো বিবৃতি দিয়া হোৱা নাছিল।

তেওঁক নিঃসন্দেহে চিকিৎসালয়লৈ অনা হৈছিল। তেওঁ ফৰিয়াদী সাক্ষী নং ১২-ডাঃ প্ৰমোদ কুমাৰ শৰ্মাৰ ওচৰত চিকিৎসা গ্ৰহণ কৰি আছিল। লক্ষ্য কৰা গৈছে যে তদন্তকাৰী বিষয়াজনে লগে লগে ঘটনাটো সংঘটিত হোৱা স্থানলৈ গৈছিল, প্ৰাথমিক তদন্ত কৰিছিল আৰু সাক্ষীসকলৰ জবানবন্দী লিপিবদ্ধ কৰিছিল। তেওঁ নিশ্চয় চহৰলৈ উভতি আহিছিল আৰু ফৰিয়াদী সাক্ষী নং ৬ ৰ বিবৃতি লিপিবদ্ধ কৰিছিল। ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬-এ আৰক্ষীৰ আগত দিয়া বিবৃতিত পিটৰাম আৰু আন অভিযুক্তসকলৰ সৈতে থকা ব্যক্তিসকলৰ ভিতৰত এজন হিচাপে আপীলকাৰীৰ নাম স্পষ্টভাৱে উল্লেখ কৰাটো বিতৰ্কৰ বিষয় নহয়। তেওঁ কৰা আচল প্ৰকাশ্য কাৰ্য সন্দৰ্ভত তেওঁলোকৰ বিবৃতিত কিছুমান বিসংগতি থাকিব পাৰে যদিও এয়া আমাৰ মতে অধিক গুৰুত্বপূৰ্ণ নহয়। আনহাতে ফৰিয়াদী সাক্ষী নং ৬ -এ আৰক্ষীৰ আগত দিয়া তেওঁৰ বিবৃতিত তেওঁৰ ফালৰ পৰা কোনো প্ৰকাশ্য কাৰ্যৰ অভিযোগ উত্থাপন কৰা নাছিল, তেওঁ আদালতত দিয়া তেওঁৰ বিবৃতিত সেইটো কৰিছিল। একেদৰে, ইয়াত আগতে লক্ষ্য কৰাৰ দৰে, ফৰিয়াদী সাক্ষী নং ১-এ যদিও তেওঁৰ প্ৰাথমিক তথ্য প্ৰতিবেদনত আপীলকাৰীৰ নাম উল্লেখ কৰা নাছিল, কিন্তু আৰক্ষীৰ আগত দিয়া তেওঁৰ বিবৃতি আৰু আদালতৰ আগত দিয়া তেওঁৰ বিবৃতি উভয়তে কেৱল তেওঁৰ নাম উল্লেখ কৰাই নহয়, নিৰ্দিষ্ট প্ৰকাশ্য কাৰ্যৰ বাবে তেওঁক দায়ী কৰিছিল।

আমি, এই গোচৰৰ উদ্দেশ্যৰ বাবে, ফৰিয়াদী সাক্ষী নং ৮ আৰু ফৰিয়াদী সাক্ষী নং ৯ ৰ সাক্ষ্য উপেক্ষা কৰিব পাৰোঁ, যিসকলে ঘটনাৰ স্থানত উপস্থিত থাকিবও পাৰে বা নাথাকিবও পাৰে, কিন্তু গাঁৱত তেওঁলোকৰ উপস্থিতি সম্ভৱতঃ বিতৰ্কিত হ'ব নোৱাৰে কাৰণ স্বীকাৰোক্তি অনুসৰি ফৰিয়াদী সাক্ষী নং ৯ মৃতকৰ তদন্ত প্ৰতিবেদনৰ সাক্ষী আছিল যিটো ঘটনাৰ সময়ৰ পৰা ২ৰ পৰা ২.৫ ঘণ্টাৰ ভিতৰত নিশ্চিতভাৱে সম্পন্ন হৈছিল।

আপীলকাৰীক ১৯৯৬ চনৰ ২৬ অক্টোবৰতহে গ্ৰেপ্তাৰ কৰিব পৰা গৈছিল।

সকলোৱে জনা মতে, প্ৰাথমিক তথ্য প্ৰতিবেদন সমগ্ৰ গোচৰটোৰ বিশ্বকোষ নহয়। ইয়াত সকলো বিৱৰণ অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন নাই। যদিও, প্ৰাথমিক

তথ্য প্ৰতিবেদনত এজন অভিযুক্তৰ নাম উল্লেখ কৰাৰ প্ৰয়োজনীয়তা উপেক্ষা কৰিব নোৱাৰি, তথাপি দেখা গৈছে যে যথাসম্ভৱ সোনকালে তেওঁৰ নাম অন্তৰ্ভুক্ত কৰা হৈছিল। আনকি ফৰিয়াদী সাক্ষী নং ১ -এ প্ৰাথমিক তথ্য প্ৰতিবেদনত তেওঁৰ নাম লোৱা নাই বুলি ধৰিলেও ফৰিয়াদী সাক্ষী নং ৬-মূলী দেৱীৰ বক্তব্যক অবিশ্বাস কৰাৰ কোনো কাৰণ পোৱা নাযায়।প্ৰশ্নটো হ'ল গোচৰটোত পোৱা সমগ্ৰ বাস্তৱিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এজন ব্যক্তিক পশ্চাৎচিন্তাৰ দ্বাৰা সাঙুৰি লোৱা হৈছিল নে নাই সেয়া বিচাৰ কৰিব লাগিব।ফৰিয়াদী সাক্ষী নং ৬ -এ প্ৰায় চাৰিটা আঘাত পাইছিল। তেওঁৰ সোঁ হাতত বিস্তাৰিত উখহা অংশৰ সৈতে এটা কটা ঘা পোৱা গৈছিল, যিটো এটা কঠিন আৰু ভোটা পদাৰ্থৰ ফলত হৈছিল। তেওঁৰ বাওঁ ভৰি আৰু আঁঠুত বহলকৈ উখহা অংশ আছিল, যিটো এক কঠিন আৰু ভোটা পদাৰ্থৰ ফলত হৈছিল। তেওঁৰ দেহত আন এটা কটা ঘা আছিল। তেওঁ বুকুৰ বিষ আৰু স্পৰ্শকাতৰতাৰ বিষয়েও অভিযোগ কৰিছিল।

অভিযুক্ত নং ১ ৰ লগতে আপীলকাৰীয়েও লোহাৰ পাইপ লৈ যোৱা বুলি কোৱা হৈছিল। মৃতকজনেও বৃহৎ সংখ্যক আঘাতৰ সন্মুখীন হৈছিল, যিবোৰ তলত দিয়া ধৰণৰঃ

"(১) থুঁতৰিত ৬x২ ছে. মি. জোখৰ হাড়লৈকে কটা ঘা- ভোটা অস্ত্ৰজনিত আঘাত- তিৰ্যকভাৱে অৱস্থিত।

(২) ৩ x ১.৫ x ১ ছে.মি.জোখৰ কটা ঘা ওপৰৰ ওঁঠত-ভোটা অস্ত্ৰজনিত আঘাত।

(৩) থেতেলা খোৱা ঘা ১০ x ৩ ছেণ্টিমিটাৰ জোখৰ। মুখৰ বাঁওফালে তিৰ্যকভাৱে অৱস্থিত।

(৪) ১০ x ২ ছেণ্টিমিটাৰ জোখৰ গভীৰ হাড়লৈকে কটা ঘা। বাওঁ টেম্প'ৰ'পেৰিট' অ'চিপিটেল অঞ্চলত- অৰ্ধ-বক্ৰ আকৃতিৰ- ভোটা অস্ত্ৰজনিত আঘাত।

(৫) বাঁও ভৰিত ১২x৩x ০.৫ ছে. মি জোখৰ কটা ঘা - তিৰ্যকভাৱে অৱস্থিত।

(৬) সোঁ ভৰিত ২ x ১ ছেণ্টিমিটাৰ জোখৰ কটা ঘা- ভোটা অস্ত্ৰজনিত আঘাত।

(৭)২x ১ ছেণ্টিমিটাৰ জোখৰ ছাল ছিগা জখম বাঁও কৰঙনত।

(৮) (ক) ১০ x ২ ছেণ্টিমিটাৰ (খ) ৮ x ২ ছে.মি. (গ) ৪ x ২ ছে.মি. জোখৰ বাঁও কৰঙনত আনুভূমিকভাৱে ইটো সিটোৰ পৰা সমান্তৰালভাৱে ২ ছে. মি.দূৰত্বত অৱস্থিত তিনিটা ক্ষত। আটাইকেইটা ক্ষতৰ বৰণ ৰঙা।
কিছুসংখ্যক আঘাত নিঃসন্দেহে লোহাৰ পাইপৰ দৰে কঠিন আৰু ভোটা পদাৰ্থৰ দ্বাৰা সংঘটিত কৰা হ'ব পাৰে।
মৃতকজনৰ দেহত পোৱা কেইবাটাও আঘাতে স্পষ্টভাৱে সূচায় যে এয়া এজন ব্যক্তিৰ দ্বাৰা সম্পন্ন হ'ব নোৱাৰে। সেয়েহে,অভিযুক্ত নং ১-এ অন্য অভিযুক্তৰ সৈতে মিলি মুছাৰামক হত্যা কৰাৰ উমৈহতীয়া অভিপ্ৰায় অনুমান কৰিব পাৰি।

উমৈহতীয়া অভিপ্ৰায়ৰ নীতি প্ৰয়োগৰ বাবে কোনো সুষম অনমনীয় নিয়ম নাই। ইয়াৰ বাবে প্ৰত্যেক গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সম্পূৰ্ণতাৰ পৰা অনুমান আহৰণ কৰিব লাগিব। একে ধৰণৰ দুটা ঘটনা বিচাৰি পোৱাটো কঠিন।

অভিযুক্তজনে উমৈহতীয়া অভিপ্ৰায় গঠন কৰিছিল নে নাই সেয়া মূলতঃ তথ্যগত প্ৰশ্ন।
ফৰিয়াদী সাক্ষী নং ১-এ তেওঁৰ সাক্ষ্যত এনেদৰে উল্লেখ কৰিছিলঃ
"... তেওঁলোক মোৰ সৈতে প্ৰায় ২০ মিনিট সময় আছিল, তেওঁলোক ওলাই যাওঁতে পিটৰাম আহিছিল। তেওঁ গাড়ীৰ দৰে এখন বাহনত আহিছিল আৰু সেইখন তেওঁ নিজৰ ঘৰৰ ওচৰত ৰখাই থৈছিল । পিটৰামে তেওঁৰ খুলশালী ৰোহটাছ আৰু আন ২-৪ জন লোকৰ সৈতে আহিছিল। মালিৰাম আৰু মুছাৰাম ক'ত আছে বুলি তেওঁ মোক সুধিছিল। মই তেওঁক ক'লো যে তেওঁলোক ঘৰলৈ গৈছে। তেওঁলোক আহোঁতে লোহাৰ ৰড লৈ আহিছিল। পিটৰামে মোক সঁচা কথা ক'বলৈ কৈছিল নহ'লে মোক কোবাব বুলি কৈছিল। মই তেওঁক কৈছিলো যে তেওঁলোক ঢাড়ীলৈ গৈছে। তেওঁ কৈছিল যে আমি তেওঁলোকৰ ঢাড়ীলৈ যাওঁ,আমি তাত তেওঁলোকক মাৰিম। মই জোৰেৰে চিঞৰি কৈছিলো; পলাই যোৱা, মানুহবোৰে তোমাক হত্যা কৰিবলৈ আহিছে। মই চিঞৰোঁতে মুছাৰাম আৰু মালিৰামে বংশীধৰৰ পথাৰলৈ গৈ আছিল। পিটৰাম আদিয়ে তেওঁলোকৰ পিছত দৌৰিছিল আৰু মই তেওঁলোকৰ পিছত দৌৰিছিলো । মালিৰাম ক'ত পলাই গৈছিল নাজানিলো কিন্তু মুছাৰামক তেওঁলোকে আগুৰি ধৰিছিল আৰু তেওঁলোকে তেওঁক ধৰি লৈছিল। পিটৰামে প্ৰথমে মুছাৰামৰ মূৰত পাইপেৰে আঘাত কৰিছিল আৰু তাৰ পিছত ৰোহটাছে মুছাৰামক পাইপেৰে আঘাত কৰিছিল আৰু তাৰ পিছত বাকী অভিযুক্তসকলে তেওঁক মাৰিবলৈ আৰম্ভ কৰিছিল। আদালতত মই কেৱল পিটৰাম আৰু ৰোহটাছকহে চিনি পালো। সাক্ষীগৰাকীয়ে আদালতত পিটৰাম আৰু ৰোহটাছক সঠিকভাৱে চিনাক্ত কৰিছিল। সিহঁতে মুছাৰামক মাৰি থকা দেখি মই তাৰ ওপৰত পৰি দিছিলো ,তেতিয়াও সিহঁতে মাৰি থকা বন্ধ নকৰিলে। তেতিয়া এই লোকসকল পলাই গৈছিল আৰু মুছাৰামৰ ঘটনাস্থলীতে মৃত্যু হৈছিল। মোৰ স্বাস্থ্য পৰীক্ষাও কৰা

হৈছিল আৰু মোৰ এক্স-ৰে লোৱা হৈছিল। মালিৰাম, চৰজিত আৰু খয়ালীয়ে মুছাৰামক চিকিৎসালয়লৈ লৈ গৈছিল। "

এইটো স্পষ্ট যে ফৰিয়াদী সাক্ষী নং ৬-এ আক্ৰমণ কাৰ্যৰ বাবে কেৱল তেওঁৰ পুত্ৰকেই দোষাৰোপ  কৰা নাছিল বৰং আপীলকাৰীকো দোষাৰোপ কৰিছিল । তেওঁ নিজৰ পুত্ৰক আক্ৰমণ কৰা দেখা পাই তাৰ ওপৰত পৰি দিছিল যদিও সিহঁতে প্ৰহাৰ কৰা বন্ধ কৰা নাছিল বুলি তেওঁ আগবঢ়োৱা বক্তব্য গুৰুত্বপূৰ্ণ। তেওঁ এগৰাকী আহত সাক্ষী আছিল। যেতিয়া তেওঁ আৰক্ষীৰ আগত তেওঁৰ বিবৃতি দিছিল, তেতিয়া তেওঁ নিশ্চয় বহুত কষ্টত আছিল।

অভিযুক্তসকলৰ এজন তেওঁৰ নিজৰ পুত্ৰ আছিল। আপীলকাৰীজন তাৰ খুলখালি ।

সাধাৰণতে এগৰাকী মাতৃয়ে নিজৰ পুত্ৰক জড়িত নকৰে আৰু সেয়াও  এক হত্যাৰ অভিযোগত।

যদি পিটৰামৰ দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞাত হস্তক্ষেপ কৰিব নোৱাৰি, তেন্তে বিবেচনাৰ বাবে উদ্রেক হোৱা প্ৰশ্নটো এয়ে যে তেওঁৰ সৈতে মিলি উক্ত অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যে  উমৈহতীয়া অভিপ্ৰায়ত ভাগ লোৱাৰ বাবে আপীলকাৰীক দোষী সাব্যস্ত কৰিব পাৰি নেকি। অপৰাধমূলক কাৰ্য কৰাৰ ক্ষেত্ৰত যৌথ দায়বদ্ধতাৰ নীতি প্ৰযোজ্য কৰাৰ বাবে অভিযুক্তৰ অভিপ্ৰায় এই গোচৰৰ সৈতে জড়িত বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিবেচনা কৰিব লাগিব। সকলো অভিযুক্ত একে সময়তে আহিছিল। তেওঁলোকৰ প্ৰত্যেকৰে বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ আছিল। তেওঁলোকে স্পষ্টভাৱে কোনো অপৰাধ সংঘটিত কৰাৰ উদ্দেশ্যেৰে আহিছিল। তেওঁলোকৰ লক্ষ্য জ্ঞাত আছিল। তেওঁলোকে মাকৰ সন্মুখতে পুত্ৰক হত্যা কৰাৰ অপৰাধটো নকৰাৰ কথাও ভবা নাছিল। তেওঁক নিৰ্বিচাৰভাৱে আক্ৰমণ কৰা হৈছিল। মাকে পুত্ৰক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ তাৰ দেহৰ ওপৰত পৰি দিছিল। এই প্ৰক্ৰিয়াত তেৰোঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। ফৰিয়াদী সাক্ষী নং ১ আৰু ফৰিয়াদী সাক্ষী নং ৬-এ প্ৰদান কৰা বিবৃতিৰ সংযুক্ত পাঠত এইটো স্পষ্ট যে প্ৰকৃত আক্ৰমণ কাৰ্যত  একাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল।

অভিযুক্ত ব্যক্তিসকলে কেৱল মুছাৰামক হত্যা আৰু তেওঁৰ মাকক আক্ৰমণ কৰাই নহয়,  ১ নং ফৰিয়াদী সাক্ষীকো খেদি গৈছিল। তেওঁ খেতিপথাৰত আত্মগোপন  কৰিব লগা হৈছিল। তেওঁৰ মতে অভিযুক্ত ব্যক্তিসকলে টৰ্চ লৈ তেওঁক বিচাৰি আছিল। তেওঁক বিচাৰি নাপালে । অপৰাধ সংঘটিত কৰাৰ উমৈহতীয়া অভিপ্ৰায় থকা এজন ব্যক্তিৰ অভিপ্ৰায় পৰিস্থিতিৰ সম্পূৰ্ণতাৰ পৰা বিচাৰ কৰিব লাগিব।

এইটো এনে এটা গোচৰ নহয় য'ত পূৰ্বৱৰ্তী প্ৰস্তুতি নাছিল । পূৰ্বৱৰ্তী প্ৰস্তুতি নথকা হ'লে তেওঁলোকে একেলগে বাহন এখনত উপস্থিত হ'ব নোৱাৰিলেহেঁতেন। তেওঁলোকে কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই

নানিলেহেঁতেন। অপৰাধটো সংঘটিত কৰাৰ ক্ষেত্ৰত তেওঁলোকে একেলগে কাম নকৰিলেহেঁতেন। তেওঁলোক ১ নং ফৰিয়াদী সাক্ষীক একেলগে সন্ধান নকৰিলেহেঁতেন আৰু একেলগে পলাই নগ'লহেঁতেন । অভিযুক্তৰ পৰৱৰ্তী আচৰণৰ প্ৰতি লক্ষ্য ৰাখি অভিযুক্তৰ পূৰ্বৰ ঐকমত্য নিৰ্ধাৰণ কৰিব পাৰি। সেয়েহে, এই গোচৰত পৰৱৰ্তী আচৰণৰ দ্বাৰা অন্যান্য দিশৰ লগতে পূৰ্বৰ ঐকমত্যও প্ৰমাণিত হৈছে।

কেৱল ব্যতিক্ৰম সাপেক্ষে, পূৰ্বৰ ঐকমত্যৰ প্ৰত্যক্ষ প্ৰমাণ পোৱাটো কঠিন হ'ব পাৰে কিন্তু প্ৰত্যক্ষ সাক্ষ্য-প্ৰমাণৰ অনুপস্থিতিয়ে অনিবাৰ্যভাৱে অনুমানৰ সৃষ্টি কৰে । অভিযুক্তই উমৈহতীয়া অভিপ্ৰায়ত ভাগ লোৱাটো প্ৰমাণ কৰিবলৈ এয়া পৰ্যাপ্ত হ'ব পাৰে।
সুৰেশ আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ ৰাজ্য, [২০০১] ৩ এছ্ চি চি ৬৭৩-ত এই ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

আই.পি.চি.ৰ ধাৰা ৩৪ প্ৰয়োগ কৰিবলৈ, দুটা অত্যাৱশ্যকীয় চৰ্ত পূৰণ কৰিব লাগিব:

১. অপৰাধমূলক কাৰ্য্যত কেৱল এজন নহয়, একাধিক ব্যক্তি অন্তৰ্ভুক্ত থাকিব লাগিব।
২. প্ৰতিজন ব্যক্তিৰ কাৰ্য্য একেলগ কৰিলে ফৌজদাৰী অপৰাধ সংঘটিত কৰাত অৰিহণা যোগাব লাগিব আৰু জড়িত সকলোৰে অংশীদাৰী অভিপ্ৰায়ৰ সৈতে সামঞ্জস্যপূৰ্ণ হ'ব লাগিব।

ভাৰতীয় দণ্ডবিধি আইনৰ ৩৪ নং ধাৰাই অপৰাধমূলক আইনশাস্ত্ৰত প্ৰতিবৰ্তী দায়বদ্ধতাৰ নীতিক স্বীকৃতি দিয়ে। নিজে অপৰাধ নকৰা সত্ত্বেও আন এজন ব্যক্তিৰ দ্বাৰা কৰা অপৰাধৰ বাবে ই এজন ব্যক্তিক দায়বদ্ধ কৰে যাৰ সৈতে তেওঁ উমৈহতীয়া অভিপ্ৰায়ৰ অংশীদাৰিত্ব কৰিছিল। এইটো হৈছে সাক্ষ্যৰ নিয়ম আৰু ই মূল অপৰাধ সৃষ্টি নকৰে। এই ধাৰাটোৱে বিধিবদ্ধ স্বীকৃতি প্ৰদান কৰা কাণ্ডজ্ঞানৰ নীতিটো এয়ে যে যদিহে দুজনতকৈ অধিক ব্যক্তিয়ে ইচ্ছাকৃতভাৱে একেলগে এটা কাম কৰে, তেন্তে সেয়া প্ৰত্যেকেই ব্যক্তিগতভাৱে সম্পাদন কৰা কৰ্মৰ সৈতে একে। ইয়াত বিৰোধ প্ৰকট কৰিবলগীয়া একো নাই যে এটা উমৈহতীয়া অভিপ্ৰায়ে পূৰ্বৰ ঐকমত্য অনুমান কৰে, যাৰ বাবে অপৰাধত অংশগ্ৰহণ কৰা অভিযুক্তৰ পূৰ্বনিৰ্ধাৰিত পৰিকল্পনাৰ প্ৰয়োজন। এনে ধৰণৰ পূৰ্ব-ঐক্যমত্য বা পূৰ্ব-পৰিকল্পনা অপৰাধটো সংঘটিত হোৱা স্থানত বা অপৰাধ সংঘটনৰ গতিপথত বিকশিত হ'ব পাৰে কিন্তু নিৰ্ণায়ক পৰীক্ষাটো এয়ে যে অপৰাধমূলক কাৰ্য সংঘটনৰ পূৰ্বে পৰিকল্পনা প্ৰস্তুত হ'ব লাগিব। উমৈহতীয়া অভিপ্ৰায় পূৰ্বতে বা সংঘটনৰ গতিপথত আৰু পূৰ্ব পৰিকল্পনাৰ অবিহনে গঠিত

হ'ব পাৰে। এটা উমৈহতীয়া অভিপ্ৰায়ৰ অস্তিত্ব হৈছে প্ৰতিটো গোচৰৰ তথ্যগত প্ৰশ্ন যিটো প্ৰধানকৈ গোচৰটোৰ পৰিস্থিতিৰ সাপেক্ষে অনুমানৰ বিষয় হিচাপে প্ৰমাণ কৰিব লাগিব। "

লালন ৰায় আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য, [২০০৩] ১ এছ. চি. চি. ২৬৮-ত এনেদৰে ৰায় প্ৰদান কৰা হয়ঃ

"আইনখনৰ ওপৰত এক সাধাৰণ দৃষ্টি নিক্ষেপ কৰিলে প্ৰকট হয় যে ধাৰা ৩৪ ৰ সাৰমৰ্ম হৈছে এক নিৰ্দিষ্ট ফলাফল প্ৰাপ্তিৰ বাবে বাবে অপৰাধমূলক কাৰ্যত অংশগ্ৰহণ কৰা ব্যক্তিসকলৰ মনৰ সমকালীন ঐকমত্য। ঘটনাস্থলীত এনে ঐকমত্য গঢ়ি তুলিব পাৰি বুলি লিপিবদ্ধ কৰাটো এক বিৰক্তিকৰ কথা। ৰামাস্বামী আয়াংগাৰ বনাম তামিলনাডু ৰাজ্য গোচৰটোত এই ন্যায়ালয়ৰ ৰায়দানৰ পৰা ওপৰৰ পৰ্যবেক্ষণবোৰে সমৰ্থন লাভ কৰে।"

একে ধৰণে বৰেন্দ্ৰ কুমাৰ ঘোষ বনাম ৰজা সম্ৰাট, এ. আই. আৰ. (১৯২৫) পি. চি. ১:২৬ ক্ৰিমিনেল ল জাৰ্নেল ৪৩১ -ত প্ৰিভি কাউন্সিলে ধাৰা ৩৪-ৰ প্ৰকৃত উদ্দেশ্য তলত দিয়া ধৰণে ব্যক্ত কৰিছেঃ (এ. আই. আৰ.  পৃ৬)

'৩৪ নং ধাৰাৰ শব্দবোৰ এক অত্যন্ত সংকীৰণ অৰ্থত ব্যাখ্যা কৰিব নালাগে। ধাৰা ৩৩ অনুসৰি ধাৰা ৩৪-ৰ এটা অপৰাধমূলক কাৰ্যত কেইবাটাও কাৰ্য অন্তৰ্ভুক্ত থাকে আৰু ইয়াৰ উপৰিও, 'কাৰ্য'ৰ অন্তৰ্গত কাৰ্যত অৱহেলা কৰাও অন্তৰ্ভুক্ত থাকে, উদাহৰণস্বৰূপে, নিজৰ চকুৰ সন্মুখত হত্যা কৰাটো প্ৰতিৰোধ কৰাৰ বাবে হস্তক্ষেপ কৰাত অৱহেলা কৰা। ধাৰা ৩৭ অনুসৰি কেইবাটাও কাৰ্যৰ জৰিয়তে কোনো অপৰাধ সংঘটিত হোৱাৰ ক্ষেত্ৰত  যিজন ব্যক্তিয়ে সেই কাৰ্যবোৰৰ যিকোনো এটা অকলশৰীয়াভাৱে বা আন কোনো ব্যক্তিৰ সৈতে যুটীয়াভাৱে সম্পাদনেৰে ইচ্ছাকৃতভাৱে সেই অপৰাধ সংঘটিত হোৱাত সহযোগিতা কৰে,তেন্তে সেই ব্যক্তিয়ে সেই অপৰাধ সংঘটিত কৰে। যদিও আপীলকাৰীয়ে দুৱাৰৰ বাহিৰত থিয় হৈ থকাৰ সময়ত একো কৰা নাছিল, তথাপিও মনত ৰাখিব লাগিব যে অন্যান্য ক্ষেত্ৰৰ দৰে অপৰাধতো 'কেৱল থিয় হৈ অপেক্ষা কৰা লোকেও সেৱা আগবঢ়ায়'।"

গতিকে উপৰোক্ত আলোচনাটোৰ সাৰমৰ্ম এয়ে যে ঘটনাস্থলীত উপস্থিত  হৈ উমৈহতীয়া অভিপ্ৰায়ৰ অংশীদাৰিত্ব কৰাটোৱেই হৈছে আইনগত প্ৰয়োজনীয়তা। কেৱল দৃশ্যপটৰ পৰা নিজকে আঁতৰাই ৰখাটোৱে অভিযুক্তজনক দোষমুক্ত কৰিব নোৱাৰে-যদিও সেইটো বিবেচনাধীন বিষয়টোৰ তথ্যগত পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে আৰু ইয়াৰ বাবে কোনো দৃঢ় নিয়ম নিৰ্ধাৰণ কৰিব নোৱাৰি। "

চকুত পৰা আইনী নীতিবোৰ প্ৰয়োগেৰে আমি নিৰপেক্ষভাৱে অভিমত পোষণ

কৰোঁ যে পিটৰামৰ সৈতে অপৰাধ সংঘটিত কৰাৰ ক্ষেত্ৰত আপীলকাৰীৰ উমৈহতীয়া অভিপ্ৰায় প্ৰতিপন্ন হৈছে।

তদন্তত আসোঁৱাহ নাছিল, আনহাতে ত্ৰুটিপূৰ্ণ তদন্তৰ বাবে ফৰিয়াদী গোচৰ সম্পূৰ্ণৰূপে নাকচ কৰা নহয়।

বিশ্বেশ্বৰন বনাম এছ.ডি. এম.-এ প্ৰতিনিধিত্ব কৰা ৰাজ্য [২০০৩]৬ এছ. চি. চি.৭৩-ত এই ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

"যিবিলাক পৰিস্থিতি সাপেক্ষে আপীলকাৰীৰ বিৰুদ্ধে গোচৰৰ প্ৰমাণ সাব্যস্ত হয় আৰু যুক্তিসংগত সন্দেহৰ ঊৰ্ধ্বত তেওঁৰ পৰিচয় প্ৰতিষ্ঠা হয়, সেই পৰিস্থিতি লক্ষ্য কৰাৰ আগতে, আমি এইটো মনত ৰাখিব লাগিব যে এনে ক্ষেত্ৰত আদালতে গ্ৰহণ কৰিবলগীয়া দৃষ্টিভংগী বেলেগ হ'ব লাগিব। গোচৰবোৰ অতি সংবেদনশীলতাৰে মোকাবিলা কৰাৰ প্ৰয়োজন, ধৰ্ষণৰ অভিযোগত অভিযুক্তৰ বিচাৰ চলোৱাৰ সময়ত আদালতে অধিক দায়িত্ব দেখুৱাব লাগিব। এনে ক্ষেত্ৰত, বিস্তাৰিত সম্ভাৱনাবোৰ পৰীক্ষা কৰাৰ প্ৰয়োজন হয় আৰু আদালতে অস্তিত্বশীল লক্ষণ নথকা সৰু সৰু বিৰোধিতা বা তাৎপৰ্যহীন অমিলৰ দ্বাৰা প্ৰভাৱিত হ'ব নালাগে।
সমগ্ৰ গোচৰৰ পটভূমিতহে সাক্ষ্যৰ তাৎপৰ্য উপলব্ধি কৰাটো প্ৰয়োজনীয় , পৃথক পৃথকভাৱে নহয়। বাস্তৱ পৰিস্থিতিৰ ওপৰত দৃষ্টিপাত কৰিব লাগিব। এইটোও মনত ৰাখিব লাগিব যে প্ৰতিটো ত্ৰুটিপূৰ্ণ তদন্তৰ ফলশ্ৰুতিত অনিবাৰ্যভাৱে খালাচ পাব নালাগিব। ত্ৰুটিপূৰ্ণ তদন্তৰ ক্ষেত্ৰত একমাত্ৰ আৱশ্যকীয় দিশটো এয়ে যে সাক্ষ্যৰ মূল্যায়ন কৰোঁতে আদালতে অতিৰিক্ত সাৱধানতা অৱলম্বন কৰিব লাগিব। মাথোন ত্ৰুটিপূৰ্ণ তদন্তৰ আধাৰতে অভিযুক্তজনক দোষমুক্ত কৰাটো ন্যায়সংগত নহ'ব। তদন্তত যিকোনো অপৰ্যাপ্ততা বা অনিয়মিতাৰ ফলত ফৰিয়াদী পক্ষৰ গোচৰটো নাকচ কৰাৰ প্ৰয়োজন নাই ,যদিহে এইটো অন্য দিশৰ বিবেচনাৰে প্ৰমাণিত হয়। "
মধ্য প্ৰদেশ ৰাজ্য বনাম মানসিং আৰু অন্যান্য,[২০০৩]১০ এছ. চি. চি.৪১৪-ত এই ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

"যদিও উচ্চ ন্যায়ালয়ে উল্লেখ কৰা অনুসৰি তদন্তত অপৰ্যাপ্ততা আছিল বুলি স্বীকাৰ কৰা হৈছে, তথাপিও এয়া ফৰিয়াদী পক্ষৰ প্ৰামাণিক, বিশ্বাসযোগ্য আৰু প্ৰত্যয়জনক গোচৰ প্ৰত্যাখ্যান কৰাৰ ভিত্তি হ'ব নোৱাৰে। হীৰালালক পৰীক্ষা নকৰাটোও ফৰিয়াদীপক্ষৰ গোচৰক সন্দেহ কৰাৰ কাৰক নহয়। তেওঁ এজন চাক্ষুস সাক্ষী নাছিল আৰু ৮ নং ফৰিয়াদী সাক্ষীৰ বিবৃতি অনুসৰি তেওঁ ৮ নং ফৰিয়াদী সাক্ষীৰ পিছত উপস্থিত হৈছিল। ৮ নং ফৰিয়াদী সাক্ষীক পৰীক্ষা কৰাৰ পাছত, হীৰালালক পৰীক্ষা নকৰাটো গুৰুত্বপূৰ্ণ নহয়।"

ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে, আমি অভিমত পোষণ কৰিছো যে বিদ্বান বিচাৰ আদালতৰ ন্যায়াধীশ আৰু উচ্চ ন্যায়ালয়ে দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞাৰ বিতৰ্কিত ৰায় প্ৰদান কৰাত কোনো ভুল কৰা নাই। সেইমৰ্মে আপীল খাৰিজ কৰা হ'ল।

আপীল খাৰিজ কৰা হ'ল।

অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা, অধিবক্তা
পৰীক্ষকঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"*